# ডিব্ৰুগড় বিশ্ববিদ্যালয়

আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱ, ২০২৫-২৬

স্থানঃ জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰ, দুলীয়াজান মহাবিদ্যালয়, দুলীয়াজান

২৮ জানুৱাৰী- ৩১ জানুৱাৰী, ২০২৬

ই-মেইলঃ duliajancollege@yahoo.com ৱেবচাইটঃ www.duliajancollege.in

---

## ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ-মহোৎসৱত অসমীয়া কবিতা আবৃত্তিৰ বাবে নিৰ্বাচিত কবিতা

# এইখন আমাৰ দেশ

এইখন আমাৰ দেশ,
বুৰঞ্জীৰ সেতু অতিক্ৰম কৰি স্মৃতিৰ পোহৰ উজ্জ্বল।
তাৰে প্ৰতিধ্বনি; প্ৰান্তে গ্ৰান্তে, পৰ্ব্বতৰ শিখৰে শিখৰে
শঙ্খধ্বনি হৈ জীৱনক যুগে যুগে কৰিছে মহান।
মই আজি প্ৰতিধ্বনি শুনো
কোটি কোটি মানুহৰ হিয়াৰ কল্লোল
জীৱনৰ তেজ য'ত ৰঙা গড়া হয়,
মৃত্যু যাৰ বাবে অখণ্ড প্ৰদীপ
স্বাধীন যাৰ বাবে হিমালয়ী স্বপ্ন
এইখন আমাৰ দেশ,
য'ত আছে পোহৰৰ মুক্তস্ৰোতা ধাৰা,
স্বৰ্ণদীপ্ত জ্ঞান বহ্নিৰ জ্যোতিৰেখা
যি স্ৰোত ধাৰাত স্নান কৰি যুগে যুগে
মানুহৰ ইতিহাস আজিও ভাস্কৰ উজ্জ্বল।

আকাশ লঙ্ঘা স্বপ্ন, মহাৰাজ হিমালয়
বুকু উদঙাই বৈ আছে গঙ্গ সিন্ধু
আৰু ব্ৰহ্মপুত্ৰ মহাবাহু
যি যুগৰ প্ৰাচীৰ অতিক্ৰম কৰি
ৰিঙিয়াই মাথোঁ কয়
এইখন আমাৰ দেশ ঃৰঙা স্যমন্তক মণি
আমি সাজিম স্বৰ্ণ দেউল, জীৱনৰ সোণালী কাৰেঙ
এইখন আমাৰ দেশ।

মানৱৰ মহাসমুদ্ৰ পাৰত আমি জীৱনৰ জয় গান গাওঁ
যি গীতৰ প্ৰতি লহৰত বাজি উঠে
একোটি স্পন্দন মানুহৰ হৃদি গহ্বৰত।

এইখন আমাৰ দেশ,
এইখন আমাৰ নৈ
ইয়াৰ পাৰতে জন্ম পালে অসীম জ্ঞানৰ প্ৰভাত
মানুহৰ আত্মাৰ ঈশ-জ্যোতি।
মুক্তিৰ উষা কিৰণত স্নান কৰি হোৱা মহীয়ান
জীৱন সমুদ্ৰত চোৰা এইয়া ৰঙা পোৱালৰ মণি
জ্যোতিৰ্ম্ময়, জ্বলি আছে এই বাণী লৈ
"এই পৃথিৱীত সূৰ্য্য আছে, চন্দ্ৰ আছে
আৰু আছে মানৱৰ প্ৰশান্ত সাগৰ।"

আমি বলিয়ান
আমি জীয়াই আছো এই জীৱন প্ৰান্তত
আমাৰ চকুত জ্বলে গুলীবিদ্ধ মহামানৱৰ
তেজৰ জোৱাৰ ক্ৰুছবিদ্ধ যীশুৰ স্বৰ্ণ স্বপ্ন

**সাংস্কৃতিক সমন্বয়ক**
**ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয়**
**যুৱ-মহোৎসৱ ২০২৫-২৬**